# অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
# ASSAM JATIYA BIDYALAY EDUCATION COUNCIL

AJBEC
অজাবি শিক্ষা সংসদ

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020

Ph. : 0361-2654229, 98642 02080, e-mail : ajbecghy@gmail.com, website : www.ajbec.com


প্ৰসংগ ঃ এজবেক/০৩/১১/২২-২৩
Ref :

তাৰিখ ঃ ২৬-০৪-২০২২
Date :

প্ৰতি,

মাননীয় সভাপতি/সচিব
জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতি (সকলো)

**বিষয় :** মাণ্ডলিক ভিত্তিত অনুষ্ঠিত হ'বলগীয়া শিক্ষক প্ৰশিক্ষণ সম্পৰ্কীয় নিৰ্দেশনা।

মহাশয়/মহাশয়া,

অহা ৭ মে' তাৰিখৰ পৰা অনুষ্ঠিত হ'বলগীয়া শিক্ষক প্ৰশিক্ষণৰ ক্ষেত্ৰত তলত উল্লেখ কৰা নিৰ্দেশনাসমূহ সংশ্লিষ্ট সকলোৰে জ্ঞাতাৰ্থে জনোৱা হ'ল। ভৌগোলিক অৱস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এজবেক উপবিধিত উল্লিখিত মণ্ডলসমূহৰো কিছুমানক প্ৰশিক্ষণৰ উদ্দেশ্যে দুটা ভাগত ভাগ কৰা হৈছে।

জিলা সমন্বয়ৰক্ষী সমিতিৰ অন্তৰ্ভুক্ত প্ৰতিখন বিদ্যালয়কে এই নিৰ্দেশনাসমূহ জনাবলৈ অনুৰোধ জনোৱা হ'ল।

১। **প্ৰশিক্ষণৰ বিষয় :** প্ৰাক্-বিদ্যালয় শিক্ষা

২। **প্ৰশিক্ষণৰ তাৰিখ :**

ক) ৭ আৰু ৮ মে', ২০২২ : মৰিগাঁও, নগাঁও, কাৰ্বি আংলং, হোজাই।

খ) ২১ আৰু ২২ মে', ২০২২ : ধুবুৰী, গোৱালপাৰা, বঙাইগাঁও, চিৰাং, কোকৰাঝাৰ।

গ) ২১ আৰু ২২ মে', ২০২২ : কামৰূপ (উত্তৰপাৰ), কামৰূপ (দক্ষিণপাৰ)

ঘ) ৪ আৰু ৫ জুন, ২০২২ : বৰপেটা, নলবাৰী, বাক্সা

ঙ) ৪ আৰু ৫ জুন, ২০২২ : শোণিতপুৰ, দৰং, ওদালগুৰি।

চ) ১১ আৰু ১২ জুন, ২০২২ : ধেমাজি, লখিমপুৰ, বিশ্বনাথ।

ছ) ১৮ আৰু ১৯ জুন, ২০২২ : গোলাঘাট, যোৰহাট, মাজুলী, শিৱসাগৰ।

জ) ১৮ আৰু ১৯ জুন, ২০২২ : ডিব্ৰুগড়, তিনিচুকীয়া, চৰাইদেউ।

৩। **প্ৰশিক্ষণৰ সময় :** প্ৰতিদিনে পুৱা ৯:৩০ বজাৰ পৰা আবেলি ৪:৩০ বজালৈ।

৪। **প্ৰশিক্ষণৰ স্থান :** মাণ্ডলিক সমিতিয়ে প্ৰশিক্ষণৰ স্থান নিৰ্ধাৰণ কৰিব।

৫। **প্ৰশিক্ষাৰ্থী নিৰ্বাচন :**

- প্ৰতিটো প্ৰশিক্ষণত অন্তৰ্ভুক্ত আটাইকেইখন জিলা মিলি মুঠতে সৰ্বাধিক ৬০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিব পাৰিব।

- জিলা সমন্বয়ৰক্ষী সমিতিয়ে নিজৰ নিজৰ জিলাৰ পৰা প্ৰশিক্ষাৰ্থী নিৰ্বাচন কৰিব।
- আগতে প্ৰশিক্ষণ গ্ৰহণ নকৰা প্ৰশিক্ষাৰ্থী তথা বিদ্যালয়ক অগ্ৰাধিকাৰ দিব।

৬। **প্ৰশিক্ষণৰ বিষয়/বক্তৃতা :**

ক) প্ৰাক্-বিদ্যালয় শিক্ষা-ব্যৱস্থা আৰু ইয়াৰ গুৰুত্ব। সময় : ৩০ মিনিট।

খ) শাৰীৰিক শিক্ষা আৰু প্ৰাক্-বিদ্যালয়ত ইয়াৰ প্ৰয়োগ। সময় : ১ ঘণ্টা ৩০ মিনিট।

গ) ভাষা বিকাশ : প্ৰাক্-বিদ্যালয়ত ভাষা বিকাশৰ গুৰুত্ব, ভাষা বিষয়ৰ বিভিন্ন ক্ৰিয়াসমূহ, শিশু কবিতা, ওমলা গীত, আখৰ লিখাৰ কৌশল। সময় : ২ ঘণ্টা।

ঘ) শিশুৰ অগ্ৰগতিত বৌদ্ধিক বিকাশৰ ভূমিকা। সময় : ১ ঘণ্টা ৩০ মিনিট।

ঙ) প্ৰাক্-বিদ্যালয়ৰ পৰীক্ষাবিহীন মূল্যায়ন ব্যৱস্থা। সময় : ১ ঘণ্টা ৩০ মিনিট।

৭। **প্ৰশিক্ষাৰ্থীয়ে লগত আনিবলগীয়া সামগ্ৰী :**

ক) আৰ্ট পেপাৰ দুখন (বগা)

খ) মাৰ্বল পেপাৰ (ৰঙা, নীলা, হালধীয়া প্ৰতিটো ৰঙৰে এখনকৈ)

গ) জীৱ-জন্তুৰ চিত্ৰ থকা চাৰ্ট এখন

ঘ) চৰাইৰ চিত্ৰ থকা চাৰ্ট এখন

ঙ) ফুলৰ চিত্ৰ থকা চাৰ্ট এখন

চ) পাচলিৰ চিত্ৰ থকা চাৰ্ট এখন

ছ) ফল-মূলৰ চিত্ৰ থকা চাৰ্ট এখন

জ) স্কেল, পেঞ্চিল, ৰবৰ, স্কেট্চ পেন, কেচী, আঠা

- সামগ্ৰীসমূহ প্ৰশিক্ষাৰ্থীৰ সংশ্লিষ্ট বিদ্যালয়ে যোগান ধৰিব। প্ৰশিক্ষণ কৰ্মশালাত প্ৰশিক্ষাৰ্থীয়ে সাজি উলিওৱা শিক্ষণ সামগ্ৰীসমূহ পিছলৈ বিদ্যালয়ত স্থায়ীভাৱে ৰখাৰ ব্যৱস্থা কৰিব।

৮। প্ৰশিক্ষাৰ্থীসকলৰ পৰা ল'বলগীয়া মাচুলৰ পৰিমাণ মণ্ডলসমূহে (সংশ্লিষ্ট জিলাসমূহে) নিজে নিৰ্দ্ধাৰণ কৰিব।

৯। প্ৰশিক্ষণৰ বাবে সমল ব্যক্তি এজবেকৰ তৰফৰ পৰা পঠিওৱা হ'ব। মাণ্ডলিক সমিতিয়ে এজবেকৰ অনুমোদন সাপেক্ষে আন পাৰদৰ্শী সমল ব্যক্তিকো প্ৰয়োজন সাপেক্ষে জড়িত কৰাব পাৰিব। এই বিষয়ে অহা ৫ মে' তাৰিখৰ আগতে এজবেকক অৱগত কৰিব লাগিব।

১০। প্ৰতিগৰাকী প্ৰশিক্ষাৰ্থীক প্ৰশিক্ষণৰ অন্তত একোখনকৈ প্ৰমাণপত্ৰ দিয়া হ'ব। মণ্ডল সমিতিৰ হৈ প্ৰমাণপত্ৰসমূহ এজবেকৰ তৰফৰ পৰা যোগান ধৰা হ'ব।

নাৰায়ণ শৰ্মা

(ডাঃ নাৰায়ণ শৰ্মা)
সচিব,
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ

অপৰাজিতা দত্ত

(অপৰাজিতা দত্ত)
সমন্বয়ক
এজবেক, শিক্ষক প্ৰশিক্ষণ